আমাৰ একাষাৰ

# সৌন্দৰ্যবৰ্দ্ধক স্থলপদ্ম গছৰ গুৰুত্ব

সমগ্ৰ বিশ্বৰ পাৰিপাৰ্শ্বিক পৰিবেশ আৰু মানৱ জাতিৰ স্বাস্থ্য সুৰক্ষাৰ হেতু বিভিন্ন ধৰণৰ চিন্তা-চৰ্চ্চাই অগ্ৰাধিকাৰ লাভ কৰাৰ সময়ত সৌন্দৰ্যবৰ্দ্ধক হিচাপে অলংকৃত কৰা স্থলপদ্ম (ইংৰাজী নাম - 'কটন ৰ'জ, বৈজ্ঞানিক নাম - হিবিছ কাচ মুটাবিলিচ) নামেৰে জনাজাত গছবিধে বিশেষ গুৰুত্ব লাভ কৰিছে। এইবিধ গছ প্ৰধানকৈ অসমত বহাগ আৰু আহিন মাহত ফুলে আৰু দিনটোৰ ভিতৰত ফুলপাহে তিনিবাৰকৈ ৰং সলোৱা দেখা যায়। ৰাতিপুৱা ফুলবোৰ বগা, দুপৰীয়া পাতল গুলপীয়া আৰু ক্ৰমান্বয়ে আবেলি পৰলৈ ডাঠ গুলপীয়া হৈ পৰে। উল্লেখযোগ্য যে এইবিধ গছক সমগ্ৰ অসমত এজোপা সৌন্দৰ্যবৰ্দ্ধক গছ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ই এজোপা সৰু গছ, যাৰ উচ্চতা ১.৫-৫ মিটাৰ পৰ্যন্ত হয়। অসমৰ জলবায়ুত এইবিধ গছ যিকোনো স্থানত সহজলভ্য নহয়, যদিও বিশেষকৈ উজনি অসমৰ ব্ৰহ্মপুত্ৰ দাঁতি কাষৰীয়া অঞ্চলত এইবিধ গছ উপলব্ধ হয়। এইবিধ গছৰ শ্ৰীবৃদ্ধি বাৰিষা ঋতুত অতি খৰটকীয়া হয়। সাধাৰণতে স্থলপদ্ম গছৰ বাবে উষ্ণ জলবায়ুৰ প্ৰয়োজন। জাবি পৰা গৈছে যে স্থলপদ্ম গছৰ শিপাৰ খহনীয়া ৰোধ কৰিব পৰা ক্ষমতা আছে। প্ৰাপ্ত বাতৰি মতে লখিমপুৰত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰিবলৈ ১০০ জোপা স্থলপদ্ম গছ ৰোপণ কৰিছে।

পৰিবেশ সচেতন ব্যক্তিসকলৰ বাবে উক্ত গছজোপাৰ প্ৰতি বাঢ়ি অহা সচেতনতাৰ কাৰণ কিন্তু চাক্ষুস দৃষ্টিত দৃশ্যমান কেৱল ফুলবোৰৰ সৌন্দৰ্যতা নহয়। গছজোপাই ইয়াৰ চৌপাশৰ পৰিবেশৰ ভাৰসাম্যতা ৰক্ষা কৰিব পৰা ক্ষমতাৰ বাবে এইবিধ গছৰ চাহিদা সৰ্বাধিক আৰু ইয়াৰ ঔষধি গুণৰ কাৰণেও অসমত বহুলভাৱে প্ৰচলিত। ইয়াৰ শিপা আৰু পাত বহুতো বেমাৰ-আজাৰৰ প্ৰতিৰোধক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ পাতত 'এন'ডাইন, এণ্টিডটেল, দিমোলচেণ্ট, এক্সপেকটৰেণ্ট আৰু ৰেফ্ৰিজাৰেণ্ট সমূহ পোৱা যায়। ইয়াৰ পাত আৰু ফুলৰ সংমিশ্ৰণ কৰি ঘাঁ, জ্বলা বা অন্যান্য ছালৰ সমস্যাত ব্যৱহাৰ কৰিব পাৰি।

ভাৰতবৰ্ষত অব্যৱহৃত বহুতো আঁহ আহৰণ কৰিব পৰা উদ্ভিদ আছে যদিও বৰ্তমানলৈকে এইসমূহ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা হোৱা নাই। বৰ্তমানলৈকে অব্যৱহৃত স্থলপদ্ম গছক আঁহ আহৰণৰ উৎস হিচাপে অসম কৃষি বিশ্ববিদ্যালয়ৰ সৰ্বভাৰতীয় সমন্বিত গৱেষণা প্ৰকল্পৰ অধীনত বস্ত্ৰ আৰু সাজ-পাৰ ৰূপাঙ্কণ বিভাগত বিশেষভাৱে গৱেষণা কৰি উলিয়াইছে আৰু এইবিধ আঁহৰ গুণাগুণৰ ওপৰত বিস্তৃতভাৱে পৰীক্ষণ চলাই থকা হৈছে। আঁহৰ পৰা উৎপাদিত বোৱণ আৰু আবোৰণ পদ্ধতিয়ে কাপোৰ আৰু বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি উলিওৱা হৈছে। আঁহবোৰ ব্যৱহাৰৰ উপযোগী কৰি তুলি ভৱিষ্যতে স্থলপদ্ম গছৰ আঁহেৰে প্ৰস্তুতকৃত সামগ্ৰীবোৰ বজাৰমুখী হোৱাৰ সম্ভাৱনা আশা কৰিব পাৰি। বহু গুণেৰে অলংকৃত স্থলপদ্ম গছ সংৰক্ষণ কৰাত গুৰুত্ব আৰোপ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা কোনো উদ্যোগী ব্যক্তিৰ আয়ৰ পথ সুগম হ'ব পাৰে।

ড° নবনীতা গগৈ
শ্ৰীমতী দিব্যাশ্ৰী শইকীয়া
শ্ৰীমতী পৰিস্মৃতা নেওগ